# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 06-01-2024
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::::**

ৰাজ্যৰ কেইবাখনো জিলাত আজি সংশ্লিষ্ট কৰ্তৃপক্ষই সংশোধিত চূড়ান্ত ভোটদাতাৰ তালিকা প্ৰকাশ কৰিছে। লখিমপুৰ নিৰ্বাচনী জিলাৰ অন্তৰ্গত ৫ টা বিধানসভা সমষ্টিত মুঠ ভোটাৰৰ সংখ্যা হৈছে ৮ লাখ ৫০ হাজাৰ ৬৯৬। ইয়াৰ ভিতৰত ৪ লাখ ২৩ হাজাৰ ৩৮৪ গৰাকী পুৰুষ, ৪ লাখ ২৭ হাজাৰ ৩০৬ গৰাকী মহিলা আৰু ৬ গৰাকী তৃতীয় লিংগৰ ব্যক্তি আছে।

চৰাইদেউ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত এখন সভাত জিলা নিৰ্বাচনী বিষয়া তথা জিলা আয়ুক্ত ডাঃ নেহা যাদৱৰ অধ্যক্ষতাত প্ৰকাশ কৰা চূড়ান্ত তালিকা অনুসৰি জিলাখনৰ মুঠ ৩ লাখ ২০ হাজাৰ ২৩৬ গৰাকী ভোটদাতা আছে। ইতিমধ্যে জিলাখনৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু মহাবিদ্যালয়সমূহত ভোটাৰৰ পদ্ধতিগত শিক্ষা তথা নিৰ্বাচনী অংশগ্ৰহণ কাৰ্যসূচীৰ অধীনত ভোটাৰ পঞ্জীয়ন শিবিৰ আয়োজনৰ জৰিয়তে ভালেসংখ্যক নতুন ভোটাৰ পঞ্জীয়ন কৰা হয়। তদুপৰি জিলা মহিলা আৰু শিশু উন্নয়ন বিভাগৰ সহযোগিতাতো বিভিন্ন অঞ্চলৰ বিশেষ শিবিৰৰ আয়োজন কৰি দিব্যাংগ ভোটাৰ পঞ্জীয়ন কৰা হয়। ওদালগুৰি জিলাত প্ৰকাশ কৰা চূড়ান্ত ভোটাৰ তালিকা অনুসৰি জিলাখনৰ মুঠ ভোটাৰৰ সংখ্যা হৈছে ৬ লাখ ৫৭ হাজাৰ ৫৫৭। একেদৰে তামুলপুৰ জিলাৰ নিৰ্বাচনী বিষয়াই জিলাখনত মুঠ ৪ লাখ ২০ হাজাৰ ৮১৭ গৰাকী ভোটদাতাৰ চূড়ান্ত তালিকা প্ৰকাশ কৰিছে।

০০০০০

স্বাস্থ্য বিশেষজ্ঞসকলে হিউমেন মেটানিউমো ভাইৰাছ-এইচ এম পি ভি কোনো নতুন ভাইৰাছ নহয় বুলি স্পষ্ট কৰি দিছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই সামাজিক মাধ্যমত এই সন্দৰ্ভত এটা ভিডিঅ' বাৰ্তাত কয়, যে ২০০১ চনতে প্ৰথমবাৰৰ বাবে এই ভাইৰাছবিধ চিনাক্ত কৰা হৈছিল আৰু তেতিয়াৰে পৰা সমগ্ৰ বিশ্বতে কম বেছি পৰিমাণে ইয়াৰ প্ৰাদুৰ্ভাৰ আছে। তেওঁ কয়, যে এইচ এম পি ভি ভাইৰাছ শ্বাস প্ৰশ্বাসৰ জৰিয়তে মানুহৰ শৰীৰত প্ৰৱেশ কৰে আৰু যিকোনো বয়সৰ লোক এই ৰোগত আক্ৰান্ত হ'ব পাৰে। দেশৰ স্বাস্থ্য ব্যৱস্থা যিকোনো ধৰণৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ সাজু আছে বুলিও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। উল্লেখযোগ্য যে, শেহতীয়াকৈ চীনত এই ভাইৰাছবিধৰ সংক্ৰমন বৃদ্ধি পোৱাৰ পাছতে কৰ্ণাটকত এটি ৩ মহীয়া কন্যা শিশু আৰু এটি আঠ মহীয়া শিশু এই ভাইৰাছত আক্ৰান্ত হোৱা বুলি ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদে প্ৰকাশ কৰে।

০০০০০

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উদ্যোগত গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত অসম গ্ৰন্থমেলাৰ আজি একাদশ দিনাও গ্ৰন্থপ্ৰেমীৰ ভীৰ পৰিলক্ষিত হয়। গ্ৰন্থমেলাত আজি বিয়লি উপন্যাস সাহিত্য - তত্ব, শৈলী আৰু বিষয়বস্তু শীৰ্ষক আলোচনা চক্ৰৰ আঁত ধৰে বিশিষ্ট উপন্যাসিক অনুৰাধা শৰ্মা পুজাৰীয়ে। অনুষ্ঠানত অংশগ্ৰহণ কৰি বিশিষ্ট সাহিত্যিক, লেখক জয়ন্ত মাধৱ বৰাই উপন্যাসক মানুহৰ জীৱনক পৰিপূৰ্ণভাৱে স্বীকৃত কৰিব পৰা এটা মাধ্যম বুলি উল্লেখ কৰে। অনুষ্ঠানত সাহিত্যিক ড° প্ৰাণজিৎ বৰা, মনালিছা শইকীয়া, মনিকুন্তলা ভট্টাচাৰ্য্য আলোচক হিচাপে উপস্থিত থাকে। ইয়াৰ পাছত বিয়লি অনুষ্ঠিত কবি সন্মিলনত বাংলা ভাষাৰ যুৱ সাহিত্য একাডেমী বঁটাপ্ৰাপক কবি সুতপা চক্ৰৱৰ্তীয়ে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে। কবি বিপুলজ্যোতি শইকীয়াই পৰিচালনা কৰা এই কবি সন্মিলনত বহুকেইগৰাকী ন-পুৰণি কবিয়ে কবিতা পাঠ কৰে। কাইলৈ অসম গ্ৰন্থমেলাৰ সামৰণি অনুষ্ঠান অনুষ্ঠিত হ'ব।

00000

মৰিগাঁৱত আজি তিৱা স্বায়ত্তশাসিত পৰিষদৰ নতুন প্ৰশাসনীয় ভৱন উদ্বোধন কৰা হয়। ৰাজ্য চৰকাৰৰ শিক্ষা তথা ভৈয়াম জনজাতি উন্নয়ন মন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই প্ৰায় ৬ কোটি টকা ব্যয় সাপেক্ষ নতুন প্ৰশাসনীয় ভৱনটো উদ্বোধন কৰে। অনুষ্ঠানত মৰিগাঁৱৰ বিধায়ক ৰমাকান্ত দেউৰী, তিৱা স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন কোঁৱৰ প্ৰমুখ্যে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

00000

বিকশিত ভাৰত কাৰ্যসূচী সন্দৰ্ভত অহা ১১ আৰু ১২ জানুৱাৰীত নতুন দিল্লীত হ'বলগীয়া ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে ৰাজ্যৰ তিনিগৰাকী প্ৰতিযোগী নিৰ্বাচিত হৈছে। **বিকাশৰ লগতে ঐতিহ্য সংৰক্ষণ** শীৰ্ষক বিষয়বস্তুৰ এই প্ৰতিযোগিতাখনত উপাসনা দত্ত, নিকু ঘোষ আৰু তুহিনা কুণ্ডুৱে অসমক প্ৰতিনিধিত্ব কৰিব। ৰাজ্যৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ সঞ্চালকে এখন পত্ৰযোগে এই কথা প্ৰকাশ কৰিছে।

00000

দৰং জিলাত দা মঙলদৈ ক্লাবৰ ৭৮ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে দুদিনীয়াকৈ অনুষ্ঠিত জিলাভিত্তিক বিদ্যালয় পৰ্যায়ৰ বেডমিণ্টন প্ৰতিযোগিতাৰ কালি সামৰণি পৰে। মঙলদৈৰ গোপীনাথ বৰদলৈ আন্তঃদ্বাৰ ক্ৰীড়াংগনত অনুষ্ঠিত প্ৰতিযোগিতাখনত ল'ৰাৰ ১৩ বছৰ অনূৰ্ধ শাখাত ৰাঘৱ ঋষী শৰ্মাই চূড়ান্ত বিজয়ী আৰু প্ৰিয়াংশু চহৰীয়াই ৰাণাৰ্ছ আপৰ সন্মান লাভ কৰে। ছোৱালীৰ ১৩ বছৰ অনূৰ্ধ শাখাত অৰ্পিতা দাসে প্ৰথম আৰু পাৰিজাত ডেকাই দ্বিতীয় স্থান লাভ কৰে। ল'ৰাৰ ১১ বছৰ অনূৰ্ধ শাখাত অংকিত নাথে আৰু ছোৱালীৰ শাখাত অৰ্পিতা দাসে শ্ৰেষ্ঠত্ব অৰ্জন কৰে।

00000

সমাপ্ত